**REGIONEL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-06-2025 **Time :** 1205 Hrs.

## *Assamese Midday Bulletin*

বিগত কেইবাদিনো হৈ থকা ধাৰাষাৰ বৰষুণৰ ফলত ৰাজ্যৰ ১৯ খন জিলাৰ ৩ লাখ ৬৪ হাজাৰৰো অধিক লোক বানৰ কবলত পৰিছে। ধেমাজি, শ্ৰীভূমি, গোৱালপাৰা, লখিমপুৰ, নগাঁও, পশ্চিম কাৰ্বি আংলং, তিনিচুকীয়া, শিৱসাগৰ, হোজাই, কামৰূপ, ডিব্ৰুগড়ৰ লগতে কাছাৰ জিলাৰ বহু অঞ্চল প্লাবিত হৈ পৰিছে। শেহতীয়া বানত ৰাজ্যৰ ৭৬৪ খন গাঁও পানীত বুৰ যোৱাৰ লগতে তিনি হাজাৰ ৫২৪ হেক্টৰ কৃষিভূমি পানীৰ তলত আছে। এই পৰ্যন্ত ৰাজ্যৰ বিভিন্ন প্ৰান্তত বান, ভূমিস্খলন আদিত ১২ জন লোকৰ মৃত্যু হোৱাৰ তথ্য পোৱা গৈছে। আমাৰ কামৰূপৰ সংবাদদাতাই জনোৱা মতে ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত আজি পুনৰ গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজত ফেৰী সেৱা বন্ধ ৰখা হৈছে। ফেৰী ঘাটৰ ৰেম্পসমূহ পানীত বুৰ যোৱাত এই ৰেম্পসমূহৰ পুনৰ নিৰ্মাণ নোহোৱা পৰ্যন্ত গুৱাহাটীৰ দুটা ঘাটৰ ফেৰী সেৱা বন্ধ থাকিব। ব্ৰহ্মপুত্ৰৰ জলস্তৰ প্ৰায় বিপদসীমা স্পৰ্শ কৰাৰ উপক্ৰম হৈছে।

ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি পোৱাৰ বাবে যোৰহাট আৰু মাজুলীৰ মাজৰ ফেৰীসেৱা পৰৱৰ্তী জাননী নিদিয়ালৈকে স্থগিত ৰখা হৈছে। প্ৰশাসনে সকলোকে সাৱধানতা অৱলম্বন কৰিবলৈ অনুৰোধ জনোৱাৰ লগতে যিকোনো সহায়ৰ বাবে জিলা জৰুৰীকালীন অভিযান কেন্দ্ৰক জনাবলৈ অনুৰোধ জনাইছে।

গোলাঘাট জিলা প্ৰশাসনেও শেহতীয়া প্ৰতিকূল প্ৰাকৃতিক পৰিস্থিতিৰ বাবে প্ৰশানৰ বিষয়াসকলক সাজু থকাৰ নিৰ্দেশ দিছে। তদুপৰি এই সময়খিনিত ৰাইজক সাৱধানতা অৱলম্বন কৰিবলৈ প্ৰশাসনে আহ্বান জনাইছে।

কাছাৰ জিলাত বান পৰিস্থিতি অপৰিৱৰ্তিত হৈ আছে। বৰ্তমান জিলাখনত বৰষুণ হোৱা নাই যদিও বৰাক নদীৰ জলস্তৰ দুই চেণ্টিমিটাৰ পৰ্যান্ত বৃদ্ধি পাইছে। সম্প্ৰতি বৰাক নদীৰ পানী বিপদসীমাৰ ওপৰেৰে বৈ থকাত জিলাখনৰ পৰিস্থিতি জটিল হৈ পৰিছে। শিলচৰত ইতিমধ্যে বানপীড়িতসকলৰ বাবে ১৫ টা আশ্ৰয় শিবিৰ মুকলি কৰি হৈছে। জিলা প্ৰশাসনে প্ৰকাশ কৰা মতে বানৰ বাবে ১৫৪ টা ট্ৰেন্সফৰ্মাৰ বিকল হৈ পৰাত বিদ্যুৎ সেৱা ব্যাহত হৈছে। পশ্চিম কাটিগড়াৰ মহাদেৱপুৰত ভূমিস্খলনত ৭ জন লোক আহত হৈছে। একেটা পৰিয়ালৰ সাতগৰাকী সদস্যক উদ্ধাৰ কৰি প্ৰথমে জালালপুৰ ব্লক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ নিয়া হয় যদিও পৰৱৰ্তী সময়ত উন্নত চিকিৎসাৰ বাবে শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হয়।

ইপিনে, প্ৰতিকূল বতৰৰ বাবে কাৰ্বি আংলং জিলা প্ৰশাসনে জিলাখনৰ জনসাধাৰণক সম্প্ৰতি বনভোজস্থলী, পৰ্যটন স্থান, জলপ্ৰপাতসমূহ ভ্ৰমণ নকৰিবলৈ আহ্বান জনাইছে। প্ৰশাসনৰ তথ্য অনুসৰি বিগত কেইবাদিনো ধৰি হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত জিলাখনৰ মাজেৰে বৈ যোৱা নদীসমূহে বিপদসীমা অতিক্ৰম কৰিছে।

লখিমপুৰ জিলা আয়ুক্তই কালি জিলাখনৰ বান ক্ষতিগ্ৰস্ত পোতাবিল, পাঁচনৈ আৰু কয়লামাৰি অঞ্চলৰ পৰিস্থিতি পৰিদৰ্শন কৰে। আয়ুক্তগৰাকীয়ে লগতে বান পীড়িতসকলক সাহায্য বিতৰণৰ বাবে স্থাপন কৰা কেন্দ্ৰসমূহ পৰিদৰ্শন কৰি ব্যৱস্থাৰ বুজ লয়।

শিৱসাগৰৰ কোঁৱৰপুৰ মৌজাৰ মামল গড়ভঙাত ব্ৰহ্মপুত্ৰৰ এখন শ্লুইছ গে'ট পানীয়ে ভাঙি নিয়াত কোঁৱৰপুৰৰ জনবসতিপূৰ্ণ এলেকাৰ ক্ষতি হৈছে।

ৰাজ্যত বান আৰু ভূমিস্খলনে জটিল ৰূপ ধাৰণ কৰাৰ সময়ত গৃহমন্ত্ৰী অমিত শ্বাহে কালি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে ফোনযোগে আলোচনা কৰি ৰাজ্যখনৰ শেহতীয়া পৰিস্থিতিৰ বুজ লয়। গৃহমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ বান পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ সকলো ধৰণৰ সহায়ৰ আশ্বাস প্ৰদান কৰা বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়েও গৃহমন্ত্ৰীগৰাকীক অৱগত কৰা বুলি সদৰি কৰিছে। ইপিনে মুখ্যমন্ত্ৰী ড০ শৰ্মাই দ'ভূমি তথা নৈৰ পাৰত বাস কৰা ৰাইজক সজাগ হৈ থকাৰ লগতে সাৱধানতা অৱলম্বন কৰিবলৈ আৰু স্থানীয় প্ৰশাসনৰ পৰামৰ্শসমূহ অনুসৰণ কৰিবলৈ অনুৰোধ জনাইছে।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বৃহত্তৰ গড়ল তালুকবাসীৰ প্ৰচেষ্টাত গঢ় লৈ উঠা মা দুৰ্গা মন্দিৰৰ মণিকূট নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰ পাছতে তেওঁ এখন সভাত ভাষণ দি কয়, যে ১৯২৭ চনত স্থাপিত গড়ল তালুক নামৰ অনুষ্ঠানটোৱে দুবছৰ পাছত শতবৰ্ষ উদযাপন কৰিব। শতবৰ্ষ উদযাপনৰ বাবে মন্দিৰভাগ নিৰ্মাণ সম্পূৰ্ণ কৰাৰ বাবে ইতিমধ্যে অনুষ্ঠানটোত সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ পাছতে মুখ্যমন্ত্ৰীগৰাকীয়ে বান পৰিস্থিতি পৰ্যবেক্ষণৰ বাবে লখিমপুৰলৈ যোৱাৰ কথা ব্যক্ত কৰিছে। তেওঁ কয়, যে জিলাখনৰ ৰঙানদীৰ এটা মথাউৰি ভঙাৰ ফলত ৰাইজৰ যথেষ্ট ক্ষতি হৈছে। এই সময়ত ৰাইজক সতৰ্ক হৈ থাকিবলৈ তেওঁ আহ্বান জনাইছে।

ooooooooo

ডিব্ৰুগড় জিলাৰ মৰাণত আজি পুৱা সংঘটিত এটা দুৰ্ঘটনাত এজন যুৱকৰ মৃত্যু হয়। মৰাণ তিলৈ নগৰৰ কাৰেং ধাবাৰ সমীপৰ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত এই দুৰ্ঘটনাত নিহত যুৱকজন ৰিদিপ গগৈ বুলি আৰক্ষীয়ে চিনাক্ত কৰিছে। বৰ্তমান ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ ঘটনাৰ তদন্ত আৰম্ভ কৰাৰ লগতে মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে।

ooooooooo

বাক্সা জিলাৰ ধনবিলত কালি কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ উদ্যোগত এখন সজাগতা সভা অনুষ্ঠিত হয়। এই সভাত কোচ-ৰাজবংশী জনসাধাৰণৰ মাজত জাতিটোৰ লোকপিয়ল কৰাৰ লগতে ৰাজনৈতিক সচেতনতা বৃদ্ধি সন্দৰ্ভত আলোচনা কৰা হয়। কোচ-ৰাজবংশী ছাত্ৰ-সন্থাৰ কেন্দ্ৰীয় সভাপতি বলোৰাম বৰ্মনে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰা এই সভাত বিধানসভা নিৰ্বাচনৰ আগে আগে কোচ-ৰাজবংশীসকলক জনজাতিকৰণ আৰু কমতাপুৰ ৰাজ্য গঠনক লৈ চৰকাৰৰ আগত ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত কৰাৰ বাবে দাবী জনোৱা হয়। একেদৰে সমাগত বি টি আৰ নিৰ্বাচনত কোচ-ৰাজবংশী জনগোষ্ঠীৰ লোক থকা সমষ্টিত প্ৰতিটো ৰাজনৈতিক দলত কোচ-ৰাজবংশী জনগোষ্ঠীৰ লোকক প্ৰাৰ্থিত্ব দিবলৈ দাবী জনায়।

ooooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত পাঞ্জাব কিংছে মুম্বাই ইণ্ডিয়ানছক ৫ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত কালি অনুষ্ঠিত দ্বিতীয়খন কোৱালিফায়াৰত মুম্বাই ইণ্ডিয়ানছে বান্ধি দিয়া ২০৪ ৰানৰ বিজয় লক্ষ্য পাঞ্জাব কিংছে এটা অভাৰ বাকী থকা অৱস্থাত সহজে অতিক্ৰম কৰে। পাঞ্জাব কিংছৰ হৈ অধিনায়ক শ্ৰেয়াছ আয়াৰে ৮৭ ৰান সংগ্ৰহ কৰে। নিহাল ৱাধেৰাই ৪৮ ৰানৰ বৰঙণি আগবঢ়ায়। মুম্বাই ইণ্ডিয়ানছৰ হৈ আশ্বানী কুমাৰে দুটা উইকেট দখল কৰে। শ্ৰেয়াছ আয়াৰক প্লেয়াৰ অৱ মেচ ঘোষণা কৰা হয়। বৰষুণৰ বাবে খেলখন কিছু পলমকৈ অনুষ্ঠিত হৈছিল।

এই জয়ৰ সুবাদত কাইলৈ আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত পাঞ্জাব কিংছ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে ফাইনেলত অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

oooooo

**সমাপ্ত**